পৰিশিষ্ট ক

# অনা-বেঙ্কিং বিত্তীয় কোম্পানীৰ বাবে লোকপাল আঁচনি, ২০১৮: বিশেষ বিশেষত্বসমূহ:

**আঁচনিখনে এইবোৰৰ গ্ৰাহকসকলক আৱৰে**

- সকলো ধন জমা ৰখা এনবিএফচি
- এনে এনবিএফচি যাৰ সম্পদৰ আকাৰ >= 100 কোটি টকা + গ্ৰাহকৰ সৈতে লেনদেন (এইবোৰৰ বাহিৰে: আন্ত:গাঁথনি বিত্ত কোম্পানী, কেন্দ্ৰীয় বিনিয়োগ কোম্পানী, আন্ত:গাঁথনি ঋণ পুঁজি আৰু লিকিউডেচনৰ অধীনত এনবিএফচি)

## গ্ৰাহক এজনে অভিযোগ দাখিল কৰাৰ আধাৰবোৰ:

- সূত / জমা পৰিশোধ নকৰা বা পলমকৈ পৰিশোধ কৰা
- চেক উপস্থাপন নকৰা বা পলমকৈ কৰা
- আৱৰ্ণ্টিত ঋণৰ পৰিমাণ, চৰ্তাৱলী আৰু নিয়মাৱলী, বাৰ্ষিক সূতৰ হাৰ আদি অৱগত নকৰা
- চুক্তিত পৰিৱৰ্তন, মাচুল আৰোপৰ বাবে জাননী প্ৰদান নকৰা
- বুজাবুজি / ঋণ চুক্তিত স্বচ্ছতা নিশ্চিত কৰাত বিফলতা
- চিকিউৰিটি / দস্তাবেজ মুকলি নকৰা / পলমকৈ মুকলি কৰা
- বুজাবুজি / ঋণ চুক্তিত আইনীভাৱে বলবতযোগ্য পুন:দখলীকৰণ প্ৰদান কৰাত বিফলতা
- এনবিএফচি-ৰ দ্বাৰা ভাৰতীয় ৰিজাৰ্ভ বেঙ্কৰ নিৰ্দেশনা অনুসৰণ নকৰা
- উচিত আচাৰ সংহিতাৰ নিৰ্দেশনা অনুসৰণ নকৰা

## গ্ৰাহক এজনে কেনেদৰে অভিযোগ দাখিল কৰিব পাৰে ?

সংশ্লিষ্ট এনবিএফচি-লৈ লিখিত অভিযোগ প্ৰেৰণ → এক মাহৰ শেষত → যদি এনবিএফচি-ৰ পৰা উত্তৰ প্ৰাপ্ত নহয় বা এনবিএফচি-ৰ উত্তৰত গ্ৰাহক অসন্তুষ্ট হৈ থাকে → যদি গ্ৰাহকে কোনো মঞ্চৰ ওচৰ চপা নাই → এনবিএফচি লোকপালৰ ওচৰত অভিযোগ এটা দাখিল কৰিব (এনবিএফচি-ৰ পৰা উত্তৰ পোৱাৰ এক বছৰ পাৰ হোৱাৰ আগতে)

## লোকপালে কেনেদৰে সিদ্ধান্ত লয় ?

- লোকপালৰ সম্মুখৰ শুনানী সাৰাংশ প্ৰকৃতিৰ হয়
- এৰা-ধৰাৰ মাজেৰে মীমাংসাত উদগনি দিয়ে → যদি মীমাংসত উপনীত নহয়, জৰিমনা / আদেশ জাৰী কৰিব পাৰে

## যদি গ্ৰাহক লোকপালৰ সিদ্ধান্তৰ সৈতে সন্তুষ্ট নহয়, তেনেহ'লে আপীল কৰিব পাৰেনে ?

হয় লোকপালৰ সিদ্ধান্তৰ আপীল কৰিব পাৰি → আপীল কৰ্তৃপক্ষ: ডেপুটি গৱৰ্ণৰ, ভাৰতীয় ৰিজাৰ্ভ বেঙ্ক

## টোকা:

- এয়া হৈছে এক বৈকল্পিক বিবাদ নিষ্পত্তি প্ৰণালী
- গ্ৰাহকে যিকোনো স্তৰতে সমাধানৰ বাবে আন যিকোনো আদালত / মঞ্চ / কৰ্তৃপক্ষৰ ওচৰ চপাৰ বাবে স্বতন্ত্ৰ

আঁচনিখনৰ অধিক বিৱৰণৰ বাবে **www.rbi.org.in** চাওঁক